# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 16-04-2025
**Time :** 1845 HRS

## ***Assamese Evening Bulletin***

***- - - - - - - - - - - - - -***

## Headlines

---

১। ৰাজ্যত আজি পৰম্পৰাগতভাৱে গোসাঁই বিহু পালন। মৰাণ আৰু দেউৰী জনগোষ্ঠীৰ ৰঙালী বিহুৰ আজি প্ৰথম দিন।

২। পঞ্চায়ত নিৰ্বাচনৰ বাবে কাইলৈ মনোনয়ন পত্ৰ প্ৰত্যাহাৰৰ অন্তিম দিন।

৩। ৱক্‌ফ সংশোধনী আইনৰ সম্পৰ্কত উচ্চতম ন্যায়ালয়ত কাইলৈৰ পৰা প্ৰতি দিনে শুনানি।

৪। গুৱাহাটীত নিৰ্মীয়মান প্ৰাগজ্যোতিষপুৰ চিকিৎসা মহাবিদ্যালয়ৰ নিৰ্মাণকাৰ্য ১৫ আগষ্টৰ পূৰ্বে সম্পূৰ্ণ হোৱাৰ সম্ভাৱনা। **আৰু**

৫। আই পি এল ক্ৰিকেট প্ৰতিযোগিতাৰ এখন খেলত আজি ডেলহি কেপিটেলছ, ৰাজস্থান ৰয়েলছৰ বিৰুদ্ধে অৱতীৰ্ণ।

০০০০০

ৰাজ্যবাসীয়ে আজি পৰম্পৰাগতভাৱে গোসাঁই বিহু পালন কৰে। বিভিন্ন সত্ৰ, নামঘৰ, মন্দিৰ, দেৱালয়কে ধৰি ধৰ্মীয় অনুষ্ঠানসমূহত আজি জনসাধাৰণৰ ভিৰ পৰিলক্ষিত হয়। বিভিন্ন সত্ৰ-নামঘৰত আজি নাম-প্ৰসংগ, মন্দিৰসমূহত পূজা-অৰ্চনাকে ধৰি ভালেমান কাৰ্যসূচী অনুষ্ঠিত হয়।

**শিৱসাগৰৰ** তলাতল ঘৰৰ বাকৰিত দিনজোৰা কাৰ্যসূচীৰে আজি মুকলি বিহু উদযাপন কৰা হয়। পুৱা বিহুৱান উত্তোলনকে ধৰি স্মৃতি তৰ্পণ, জ্যেষ্ঠজনক সেৱা, জলপান গ্ৰহণ, কণীযুঁজ আদি বিভিন্ন কাৰ্যসূচীৰে তলাতল ঘৰৰ বাকৰি জীপাল হৈ পৰে। অনুষ্ঠানত নিমাইজান হুঁচৰি দলকে ধৰি পাঁচযোৰা আমন্ত্ৰিত হুঁচৰি দল আৰু বিভিন্ন জাতি-জনগোষ্ঠীৰ সাংস্কৃতিক দলে নৃত্য পৰিৱেশন কৰে। তলাতল ঘৰৰ বাকৰিত মুকলি বিহুৰ আয়োজন সন্দৰ্ভত আয়োজক ৰিদীপ ডেকাই এইদৰে কয়—-

**বাইট (ৰিদীপ ডেকা)**

সদৌ শিৱসাগৰ ছাত্ৰ সন্থাৰ উদ্যোগত আজি বৰ্ডিং খেলপথাৰতো দিনজোৰা কাৰ্যসূচীৰে মুকলি বিহুৰ আয়োজন কৰা হয়। অনুষ্ঠানত বহুকেইটা দলে বিহু, হুঁচৰিৰ লগতে অন্যান্য সাংস্কৃতিক কাৰ্যসূচী পৰিৱেশন কৰে।

মৰাণ জনগোষ্ঠীৰ লোকসকলে আজি গৰু বিহু পালন কৰিছে। মৰাণসকলে পৰম্পৰাগতভাৱে ব'হাগৰ প্ৰথম বুধবাৰে গৰু বিহু আৰু প্ৰথম বৃহস্পতিবাৰটোত মানুহ বিহু উদযাপন কৰে। ৰাজ্যৰ আন এটা চহকী জনগোষ্ঠী দেউৰীসকলেও আজি ব'হাগৰ প্ৰথম বুধবাৰে দেউৰী বিহু উদযাপন কৰিছে। ঐক্য-সম্প্ৰীতি

বাৰ্তা বিলাই সমাজত একতাৰ জৰীডাল সুদৃঢ় কৰি তোলা জনগোষ্ঠীয় লোকসকললৈ সাংস্কৃতিক মন্ত্ৰী বিমল বৰাকে ধৰি কেইবাজনো মন্ত্ৰী, বিধায়কে বিহুৰ শুভেচ্ছা জ্ঞাপন কৰিছে।

ৰাজ্যৰ অন্যান্য প্ৰান্তৰ লগতে সত্ৰপীঠ মাজুলীতো গোসাঁই বিহুৰ দিনা নামঘৰ আৰু সত্ৰসমূহত ভক্তিপ্ৰাণ ৰাইজে ধূপ-চাকি জ্বলাই বছৰটো সুকলমে পাৰ হ'বলৈ ভগৱানৰ ওচৰত প্ৰাৰ্থনা জনায়। উজনি মাজুলীৰ এলেঙ্গী টকৌবাৰী সত্ৰত ডেকাসত্ৰীয়া পদুম কুমাৰ মহন্তই সত্ৰখনত গোসাঁই বিহু পালন সন্দৰ্ভত এইদৰে কয়-

**বাইট (পদুম কুমাৰ মহন্ত)**

বাক্সা জিলাৰ ককলাবাৰী পৰিষদীয় সমষ্টিৰ চৌধুৰীপাৰাত এবছুৰ বাক্সা জিলাৰ সমিতিৰ উদ্যোগত আৰু চাপাগুৰি ককলাবাৰী আঞ্চলিক সমিতিৰ সহযোগত আজি দিনজোৰা কাৰ্যসূচীৰে ৰংজালী বৈসাগু উৎসৱ পালন কৰা হয়। মন্ত্ৰী উৰ্খাও গৌৰা ব্ৰহ্মাই এই অনুষ্ঠানত অংশগ্ৰহণ কৰি ৰাজ্যবাসীলৈ ৰঙালী বিহুৰ শুভেচ্ছা জ্ঞাপন কৰে। মন্ত্ৰীগৰাকীয়ে কয়, যে বৈসাগু বড়োসকলে নিজৰ সংস্কৃতি আৰু পৰম্পৰা ৰক্ষা কৰি পালন কৰা এটা বতৰৰ উৎসৱ। মন্ত্ৰী ব্ৰহ্মৰ লগতে অনুষ্ঠানত এবছুৰ সভাপতি নন্দেশ্বৰ বড়ো, বিটিআৰৰ কাৰ্যবাহী কাৰ্যবাহী সদস্য ৰাকেশ ব্ৰহ্ম, বিটিআৰ পৰিষদৰ অধ্যক্ষ কাটিৰাম বড়ো, ককলাবাৰী পৰিষদীয় সমষ্টিৰ পাৰিষদ মণ্টু বড়ো, শালবাৰী পৰিষদীয় সমষ্টিৰ পাৰিষদ জয় মুছাহাৰীকে ধৰি কেইবাজনো বিশিষ্ট ব্যক্তিয়ে অংশগ্ৰহণ কৰে।

**বজালী** জিলাৰ অন্তৰ্গত বৰনলীকুছি গাঁৱৰ শ্ৰীশ্ৰীগোপীনাথ থানতো ৰঙালী বিহু উপলক্ষে বিভিন্ন কাৰ্যসূচী লোৱা হৈছে। থানখনত বিহুৰ পতাকা উত্তোলন, গছপুলি ৰোপণ, গোসাঁই চাট উত্তোলন, ৭ বছৰৰ পৰা ১০ বছৰ বয়সৰ ল'ৰাৰ গৰখীয়া সেৱা অনুষ্ঠানৰ লগতে চিত্ৰাংকন, ভেশছন প্ৰতিযোগিতা, তেলগছ বগোৱা প্ৰতিযোগিতাও অনুষ্ঠিত হয়।

**নলবাৰীৰ** ঐতিহ্যমণ্ডিত গৰ্ডন খেলপথাৰত আজি একেলগে ৩ হাজাৰ নাচনীয়ে বিহু নাচ পৰিৱেশন কৰি ইতিহাস ৰচনা কৰে। নলবাৰী মহকুমা বিহু সন্মিলনীৰ উদ্যোগত আয়োজিত এই নৃত্যৰ কাৰ্যসূচী মন্ত্ৰী জয়ন্ত মল্লবৰুৱাই উদ্বোধন কৰে।

কামৰূপ জিলাতো আজি প্ৰতিখন সত্ৰ, নামঘৰ, মন্দিৰ, দেৱালয়ত গোসাঁই বিহু উপলক্ষে পুৱাৰে পৰা নাম প্ৰসংগ, পূজা-অৰ্চনা কৰা হয়। উত্তৰ গুৱাহাটীৰ দৌলগোবিন্দ মন্দিৰ, দীৰ্ঘেশ্বৰী দেৱালয়, হাজোৰ মাধৱ মন্দিৰ, কেদাৰ মন্দিৰ, বাইহাটা চাৰিআলিৰ মদন কামদেৱ, পিংগলেশ্বৰ দেৱালয়, শুৱালকুছিৰ শ্ৰীহাটী সত্ৰ, ছয়গাঁৱৰ মা চণ্ডিকা দেৱালয় আদিত গোসাঁই বিহু উপলক্ষে আজি অগণন ভক্তৰ সমাগম হয়।

ooooo

আকাশবাণী ডিব্ৰুগড় কেন্দ্ৰই আজি ৰঙালী বিহুৰ তৃতীয় দিনাখন কেন্দ্ৰটোত দীৰ্ঘদিন সেৱা আগবঢ়াই যোৱা কেইবাগৰাকীও প্ৰাক্তন সতীৰ্থক একোখনকৈ ফুলাম গামোছাৰে বিহুৰ ওলগ জনায়। আজিৰ অনুষ্ঠানত প্ৰবীণ অনাতাঁৰ সম্প্ৰচাৰক আৰু শিল্পী হীৰেণ গোঁহাই, চৈয়দ ছাদুল্লা, অঞ্জনা বৰুৱা, ভূপেন গগৈ, ত্ৰিবেণী দাস গগৈ, ৰূপজ্যোতি দুৱৰা, লক্ষী দত্ত, তৰেন লেখাৰু, উৎপল ভট্টাচাৰ্য আৰু সুৰেশ হাতীমূৰীয়াই অংশগ্ৰহণ কৰি কেন্দ্ৰটোৰ বিভিন্ন অনুষ্ঠান সম্পৰ্কে মন্তব্য আগবঢ়ায় আৰু এইসমূহৰ মান উন্নত কৰাৰ বাবে কেইবাটাও বহুমূলীয়া পৰামৰ্শ দিয়ে। কেন্দ্ৰটোৰ অনুষ্ঠান মুৰব্বী লোহিত ডেকা প্ৰমুখ্যে আকাশবাণী ডিব্ৰুগড়ত বৰ্তমান কৰ্মৰত বিষয়া-কৰ্মচাৰীসকলে প্ৰাক্তন সতীৰ্থকেইগৰাকীক আন্তৰিকভাৱে আদৰণি জনায়।

ooooo

আসন্ন পঞ্চায়ত নিৰ্বাচনৰ বাবে কাইলৈ মনোনয়ন পত্ৰ প্ৰত্যাহাৰৰ অন্তিম দিন। বিয়লি ৩ বজাত মনোনয়ন পত্ৰ প্ৰত্যাহাৰৰ সময় উকলি যোৱাৰ পাছত নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা আগবঢ়োৱা প্ৰাৰ্থীৰ চূড়ান্ত তালিকা প্ৰকাশ কৰা হ'ব। ৰাজ্যৰ বিভিন্ন ঠাইত প্ৰাৰ্থীসকলে নিৰ্বাচনৰ বাবে প্ৰচাৰ আৰম্ভ কৰিছে। জিলা আয়ুক্তসকলে ভিন ভিন স্থানত স্থাপন হ'বলগীয়া ষ্ট্ৰং ৰূম আৰু গণনা কক্ষৰ স্থান পৰিদৰ্শন কৰাৰ উপৰি নিৰ্বাচনৰ বিভিন্ন দিশ তথা কাম-কাজৰ বুজ লৈছে। অহা ২ আৰু ৭ মে'ত হ'বলগীয়া পঞ্চায়ত নিৰ্বাচন অনুষ্ঠিত হ'ব।

০০০০০

ৱক্ফ সংশোধনী আইনৰ সাংবিধানিক বৈধতাৰ প্ৰশ্ন তুলি দাখিল কৰা কেইবাখনো আবেদন সন্দৰ্ভত উচ্চতম ন্যায়ালয়ে  আজি শুনানি গ্ৰহণ কৰে। ন্যায়ালয়ে এই গোচৰটোৰ শুনানি কাইলৈৰ পৰা প্ৰতি দিনে গ্ৰহণ কৰাৰ সিদ্ধান্ত লয়। মুখ্য ন্যায়াধীশ সঞ্জীৱ খান্না আৰু ন্যায়াধীশ সঞ্জয় কুমাৰ আৰু ন্যায়াধীশ কে ভি বিশ্বনাথনক লৈ গঠিত খণ্ড আদালতে আজি দিনৰ ২ বজাৰ পৰা এই গোচৰটোৰ শুনানি আৰম্ভ কৰে। সৰ্বোচ্চ ন্যায়ালয়ে আজি কেন্দ্ৰীয় চৰকাৰৰ হৈ ছলিচিটৰ জেনেৰেল তুষাৰ মেহতাই ৱক্ফ সংশোধনী আইনৰ সপক্ষে আগবঢ়োৱা যুক্তি শুনে। ছলিচিটৰ জেনেৰেলগৰাকীয়ে এই ক্ষেত্ৰত ন্যায়ালয়ে কোনো অন্তৰ্বৰ্তীকালীন আদেশ জাৰি কৰাৰ বিৰোধিতা কৰে আৰু ইয়াৰ পাছত ন্যায়ালয়ে কেন্দ্ৰীয় চৰকাৰক নিজৰ শপতনামা দুসপ্তাহৰ ভিতৰত দাখিল কৰাৰ বাবে জাননী জাৰি কৰে। শুনানিৰ সময়ত আদালতে দেশৰ বিভিন্ন অংশত ৱক্ফ আইনক লৈ সৃষ্টি হোৱা হিংসাত্মক প্ৰতিবাদ সন্দৰ্ভত উদ্বেগ প্ৰকাশ কৰে আৰু এই পৰিস্থিতি শীঘ্ৰেই নিয়ন্ত্ৰণ কৰাৰ ব্যৱস্থা ল'বলৈ চৰকাৰক নিৰ্দেশ দিয়ে।

উল্লেখযোগ্য যে লোকসভাৰ সাংসদ তথা কংগ্ৰেছৰ মুখ্য সচেতক মহম্মদ জাভেদ, অল ইণ্ডিয়া মজলিছ্-ই-ইত্তেহাদি মুছলমিনৰ হৈ ইয়াৰ মুৰব্বী আছাদউদ্দিন ওৱেছি, এছোচিয়েচন অব চিভিল ৰাইটছ, জামায়াত উলেমা-ই-হিন্দ, অল ইণ্ডিয়া মুছলিম পাৰ্চনেল ল বোৰ্ডকে ধৰি কেইবাটাও সংগঠনে এই আইনৰ বিৰোধিতা কৰি উচ্চতম ন্যায়ালয়ত আবেদন দাখিল কৰিছিল। কেন্দ্ৰীয় চৰকাৰৰ লগতে অসম, হাৰিয়ানা, মহাৰাষ্ট্ৰ, মধ্য প্ৰদেশ, ৰাজস্থান, ছত্তিশগড় আৰু উত্তৰাখণ্ডে এই আবেদনৰ বিৰোধিতা কৰি উচ্চতম ন্যায়ালয়ত আবেদন দাখিল কৰিছিল।

০০০০০

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি গুৱাহাটীৰ বিৰুবাৰীত নিৰ্মীয়মান প্ৰাগজ্যোতিষপুৰ চিকিৎসা মহাবিদ্যালয়ৰ নিৰ্মাণ কাৰ্য পৰিদৰ্শন কৰি চিকিৎসা মহাবিদ্যালয়খনৰ নিৰ্মাণকাৰ্য ১৫ আগষ্টৰ পূৰ্বে সম্পূৰ্ণ হ'ব বুলি জানিবলৈ দিয়ে। তেওঁ কয় যে মহাবিদ্যালয়খনৰ নিৰ্মাণ কাৰ্য ৮০ শতাংশ সম্পূৰ্ণ হৈছে আৰু বহিঃবিভাগৰ সেৱা আগবঢ়াই থকা হৈছে।

**বাইট**

ইপিনে, ৰাজ্যৰ চিকিৎসালয়সমূহ যাতে ৫০-৭৫ বছৰলৈ প্ৰাসঙ্গিক হৈ থাকে সেই কথা বিবেচনা কৰি বিশেষ পদক্ষেপ গ্ৰহণ কৰা হৈছে বুলি মুখ্যমন্ত্ৰীয়ে প্ৰকাশ কৰিছে। মুখ্যমন্ত্ৰী ড০ শৰ্মাই আজি গুৱাহাটী চিকিৎসা মহাবিদ্যালয় হাস্পতালত নিৰ্মীয়মান মাতৃ আৰু শিশু চিকিৎসালয়ৰ  কাম-কাজৰ অগ্ৰগতিৰ বুজ লৈ এইদৰে প্ৰকাশ কৰে। তেওঁ কয় যে অক্টোবৰত নিৰ্মাণকাৰ্য সম্পূৰ্ণ হ'বলগীয়া এই চিকিৎসালয়খনত ৮০০খন বিছনা থাকিব আৰু গুৱাহাটী চিকিৎসা মহাবিদ্যালয় হাস্পতালৰ অধ্যক্ষৰ কাৰ্যালয় এই চিকিৎসালয়লৈ স্থানান্তৰ কৰা হ'ব। চিকিৎসালয়খনৰ বিছনা ৩ হাজাৰলৈ বৃদ্ধি কৰা হ'ব বুলি তেওঁ জানিবলৈ দিয়ে। গুৱাহাটী চিকিৎসা মহাবিদ্যালয়ক নতুন ৰূপ দিয়াৰ উদ্দেশ্যে নক্সা প্ৰস্তুত কৰা হৈছে বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীগৰাকীয়ে কয় যে

নৰৰূপ লাভ কৰাৰ পাছত গুৱাহাটী চিকিৎসা মহাবিদ্যালয় হাস্পতালক দেশৰ অন্যতম বৃহৎ চিকিৎসালয়ত পৰিণত হ'ব। তেওঁ কয় যে নিৰ্মীয়মান মহেন্দ্ৰ মোহন চৌধুৰী চিকিৎসালয়ত স্নায়ুবিজ্ঞান, হৃদৰোগকে ধৰি বিভিন্ন ছুপাৰ স্পেচিয়েলিটী সেৱা উপলব্ধ হ'ব। চিকিৎসালয়খনত বৃক্ক সংৰোপণৰো ব্যৱস্থা থাকিব। ৮০০খন বিছনাযুক্ত এই চিকিৎসালয়খনৰ নিৰ্মাণ পূৰ্ণ গতিত চলি আছে।

০০০০০

আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ বাতৰি বিভাগে বাতৰি আৰু ইয়াৰ অনুষ্ঠান সম্পৰ্কত শ্ৰোতা ৰাইজৰ মতামত আৰু অভিমত লোৱাৰ বাবে ফোন লাইন পুনৰ মুকলি কৰিছে। আঞ্চলিক বাতৰি, ৰাষ্ট্ৰীয় আৰু আন্তৰ্জাতিক বাতৰি, জিলাৰ ৰেহৰূপ, দৃষ্টিপাত, সংবাদ চলন্তিকা, ক্ৰীড়া বাৰ্তা আৰু প্ৰাসংগিক অনুষ্ঠান সম্পৰ্কীয় অভিমত আৰু পৰামৰ্শ শ্ৰোতাসকলে ৯৮৬৪০-৫৫৫৬৬ নম্বৰত ৱাটছএপ যোগে পঠিয়াব পাৰিব। এই অনুষ্ঠানৰ নিৰ্বাচিত অংশ অহা ১৯ এপ্ৰিল শনিবাৰে নিশা ৮ বাজি ২ মিনিটত দৃষ্টিপাত অনুষ্ঠানত প্ৰচাৰ কৰা হ'ব।

০০০০০

কেন্দ্ৰীয় পথ পৰিবহণ আৰু ঘাইপথ মন্ত্ৰণালয়ে পৰৱৰ্তী ১৫ দিনৰ ভিতৰত সমগ্ৰ দেশতে টোলগে'ট ব্যৱস্থাৰ পৰিৱৰ্তে নতুন জি এন এছ এছ ব্যৱস্থা প্ৰৱৰ্তনৰ সিদ্ধান্ত লৈছে। গ্লোবেল নেভিগেশ্বন ছেটেলাইট ছিষ্টেমৰ অধীনত যান-বাহনসমূহত এটা যতন সংযোগ কৰিব লাগিব আৰু এই যতনৰ পৰাই উপগ্ৰহৰ জৰিয়তে সংশ্লিষ্ট যান-বাহনৰ অৱস্থিতি ঠাৱৰ কৰা হ'ব। এই নতুন ব্যৱস্থাত কোনো এখন যান-বাহন টোলযুক্ত ৰাষ্ট্ৰীয় ঘাইপথেৰে ২০ কিলোমিটাৰ অতিক্ৰম কৰাৰ পাছতেই টোল ভৰিব লাগিব। এই নতুন ব্যৱস্থা প্ৰৱৰ্তনৰ পাছত টোলগে'টত যান-বাহনৰ সময় অপচয় কিছু হ্ৰাস পাব বুলি আশা কৰা হৈছে।

০০০০০

অসম আৰু মিজোৰামৰ মাজৰ ১৬৪ দশমিক ৪ কিলোমিটাৰ দৈৰ্ঘ্যৰ সীমান্তৰ বিবাদ নিষ্পত্তিৰ বাবে অহা ২৫ এপ্ৰিলত গুৱাহাটীত দুয়ো ৰাজ্যৰ মাজত বিষয়া পৰ্যায়ৰ আলোচনা অনুষ্ঠিত হ'ব। মিজোৰামে গৃহ সচিবৰ নেতৃত্বত এটা সাতজনীয়া দল এই আলোচনালৈ প্ৰেৰণ কৰিব। ইয়াৰ পূৰ্বে যোৱা ৯ আগষ্টত আইজলত দুয়োখন ৰাজ্যৰ মাজত মন্ত্ৰী পৰ্যায়ৰ আলোচনা অনুষ্ঠিত হৈছিল আৰু এই আলোচনাত দুয়ো পক্ষই বিবদমান অঞ্চলত শান্তি-সুস্থিৰতা বৰ্তাই ৰখাৰ প্ৰতিশ্ৰুতি প্ৰদান কৰিছিল।

০০০০০

মণিপুৰ আৰক্ষীয়ে যোৱা ২৪ ঘণ্টাত থৌবাল, ইম্ফল পূব, ইম্ফল পশ্চিম, টেনৌপাল, বিষ্ণুপুৰ আৰু জিৰিবাম জিলাত অভিযান চলাই বিভিন্ন সন্ত্ৰাসবাদী সংগঠনৰ ১৪জন সদস্যক গ্ৰেপ্তাৰ কৰিছে। আৰক্ষী সূত্ৰই প্ৰকাশ কৰা মতে ইম্ফল পূব আৰু থৌবাল জিলাৰ পৰা চাৰিজনকৈ, টেনৌপাল জিলাৰ পৰা ৩জন আৰু ইম্ফল পশ্চিম, বিষ্ণুপুৰ আৰু জিৰিবাম জিলাৰ পৰা একোজনকৈ সন্ত্ৰাসবাদীক গ্ৰেপ্তাৰ কৰা হৈছে। ধৃত সন্ত্ৰাসবাদী কেইজন কে চি পি, ইউ এন এল এফ, প্ৰি-পাক আৰু চোৰেপা সংগঠনৰ সদস্য বুলি জানিব পৰা গৈছে। আৰক্ষীয়ে সন্ত্ৰাসবাদীকেইজনৰ পৰা বুজন পৰিমাণৰ অস্ত্ৰ-শস্ত্ৰ, গুলীবাৰুদ, নগদ ধন আৰু আপত্তিজনক নথিপত্ৰ উদ্ধাৰ কৰিছে।

০০০০০

ৰাজ্যৰ বিভিন্ন প্ৰান্তত আজি সংঘটিত কেইবাটাও পথ দুৰ্ঘটনাত কেইবাজনো লোকৰ প্ৰাণহানি হয়। গোলাঘাট জিলাৰ খেজুৰিতলত আজি দুখন মটৰ চাইকেলৰ মুখামুখিকৈ খুন্দা লগাৰ পাছত এখন মটৰ

চাইকেল উফৰি গৈ পথটোৰে আহি থকা ডাম্পাৰৰ তলত সোমাই যোৱাৰ ফলত এজন লোকৰ থিতাতে মৃত্যু হয়। মৃত লোকজন বিপুল সোণোৱাল বুলি চিনাক্ত কৰা হৈছে।

কামৰূপ জিলাৰ ছয়গাঁৱৰ গৰু বজাৰত কালি পুৱতি নিশা এখন বাহনৰ খুন্দাত দুজন যুৱক নিহত হোৱাৰ উপৰি এজন গুৰুতৰভাৱে আহত হয়। নিহত যুৱক দুজন মেৰাজুল আলী আৰু দ্বীপ দাস বুলি জানিব পৰা গৈছে। আৰক্ষীয়ে যুৱক দুজনৰ মৃতদেহ মৰণোত্তৰ পৰীক্ষাৰ বাবে প্ৰেৰণ কৰাৰ লগতে আহত যুৱকজনক ততালিকে চিকিৎসালয়লৈ প্ৰেৰণ কৰিছে।

ইপিনে, নগাঁৱৰ কঠিয়াতলীৰ ৩৬ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথত সংঘটিত এটা পথ দুৰ্ঘটনাত এজন ট্ৰাক চালক গুৰুতৰভাৱে আহত হয়। লোকজনক সংকটজনক অৱস্থাত চিকিৎসালয়ত ভৰ্তি কৰোৱা হয়।

ooooo

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি নতুন দিল্লীত হবলগীয়া এখন খেলত ডেলহি কেপিটেলছ, ৰাজস্থান ৰয়েলছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন সন্ধিয়া চাৰে ৭ বজাত আৰম্ভ হ'ব।

ooooo

প্ৰাক্তন প্ৰশাসনিক বিষয়া তথা এসময়ৰ জনপ্ৰিয় গায়ক প্ৰদীপ কাকতিৰ আজি দেহাৱসান ঘটে। ১৯৭৭ চনতে প্ৰশাসনিক সেৱাত যোগদান কৰা প্ৰয়াত কাকতিয়ে ৰাজ্যৰ বিভিন্ন ঠাইত সেৱা আগবঢ়াই নলবাৰীৰ অতিৰিক্ত আয়ুক্ত হিচাপে যোৱা ২০০০ চনত অৱসৰ গ্ৰহণ কৰিছিল। তেওঁৰ মৃত্যুৰ সময়ত বয়স আছিল ৮৫ বছৰ। প্ৰয়াত কাকতিৰ গীতসমূহ সপ্তম-অষ্টম দশকত আকাশবাণী গুৱাহাটীৰ গীতিমালিকা অনুষ্ঠানৰ বিশেষ আকৰ্ষণ আছিল।

ooooo

সমাপ্ত